# REGIONAL NEWS UNIT
# ALL INDIA RADIO, GUWAHATI

0000000000

Date : 05-10-2023

Time : 1715 Hrs.

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাত উপস্থিত হৈ এখন জনসভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে তামুলপুৰৰ জাৰতালুকত পাগলাদিয়া নৈৰ ওপৰত নিৰ্মিত এখন পকী দলঙৰ শুভ উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছত জনসভাত অংশ লৈ এই দলঙখনৰ ফলত জিলাখন যাতায়াত ব্যৱস্থা সুচল হোৱাৰ লগতে সময় ৰাহি হ'ব বুলি তেখেতে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, প্ৰায় ৩০ কোটি টকা ব্যয় সাপেক্ষে ২০২১ চনত নিৰ্মাণ কাৰ্য আৰম্ভ হোৱা এই দলংখনৰ ফলত অঞ্চলটোৰ প্ৰায় ২৫ হাজাৰ লোক উপকৃত হ'ব।

০০০০০০০

ছিক্কিমৰ মংগনত ডাৰৰ বিস্ফোৰণৰ বাবে সৃষ্টি হোৱা তিস্তা নৈৰ আকস্মিক বানত ১৪ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে ২২ গৰাকী সেনাজোৱানসহ মুঠ ১০২ জন লোক সন্ধানহীন হৈ আছে। আনহাতে এই বানত ২৬ জন লোক আঘাতপ্ৰাপ্ত হৈছে। চৰকাৰী তথ্য অনুসৰি ছিক্কিমৰ আকস্মিক বানত ৰাজ্যখনৰ প্ৰায় ২২ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। তিস্তাৰ প্ৰবল বানে ১১ খনকৈ দলং উটুৱাই নিছে। প্ৰশাসনে চলোৱা উদ্ধাৰ অভিযানত প্ৰায় ২ হাজাৰ লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰা হৈছে। ভাৰতীয় সেনা বাহিনীয়ে পৰ্যটক আৰু চুংথাং, লাচুং, লাছেন অঞ্চলৰ স্থানীয় ৰাইজলৈ স্বাস্থ্য আৰু টেলিফোনিক সেৱা আগবঢ়াইছে। আকাশবাণীৰ সৈতে হোৱা কথা-বতৰাত এন ডি আৰ এফৰ দ্বিতীয় বেটেলিয়ানৰ কমাণ্ডেণ্ট গুৰমিন্দৰ সিঙে কয় যে, বানপানী অধ্যুসিত অঞ্চলসমূহত প্ৰয়োজন সাপেক্ষে উদ্ধাৰ অভিযান অধিক তীব্ৰ কৰি তোলা হ'ব। ইপিনে ছিক্কিমত এই ডাৰৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা বানত ভাৰতীয় সেনা বাহিনীত কৰ্মৰত অসমৰ এজন জোৱান সন্ধানহীন হৈ আছে। সন্ধানহীন জোৱানজন বাক্সা জিলাৰ আনন্দ বজাৰৰ মিটু কলিতা বুলি জানিব পৰা গৈছে। বিভাগীয় নিৰ্দেশ অনুসৰি আলিপুৰদুৱাৰত কৰ্মৰত জোৱানজনে ছিক্কিমলৈ গৈছিল।

এই বানৰ ফলত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সুবিধাৰ বাবে ছিক্কিম আৰক্ষীয়ে কেইবাটাও হেল্পলাইন নম্বৰ মুকলি কৰিছে। বানত আৰ্তজনক উদ্ধাৰৰ বাবে মুকলি কৰা হেল্পলাইন নম্বৰকেইটা হৈছে- ০৩৫৯২২০২৮৯২, ০৩৫৯২২২১১৫২ আৰু ৮০০১৭৬৩৩৮৩। একে সময়তে জৰুৰীকালীন সেৱাৰ বাবে আৰ্তজনে ১১২ নম্বৰতো ফোন কৰিব পাৰিব।

আনহাতে ছিক্কিমৰ শোচনীয় বান পৰিস্থিতিৰ লগে লগে পশ্চিমবংগৰ উত্তৰ অংশতো ঠায়ে ঠায়ে বান পৰিস্থিতিৰ অবনতি ঘটিছে। ৰাজ্যখনৰ দাৰ্জিলিং আৰু কালিমপঙৰ লগতে জলপাইগুৰি আৰু আলিপুৰদুৱাৰত বানত বিস্তৰভাৱে ক্ষতিগ্ৰস্ত হৈছে। আনহাতে উত্তৰ দিনাজপুৰ, দক্ষিণ দিনাজপুৰ আৰু কোচবিহাৰ জিলাত তিস্তা নদী ওফন্দি উঠাৰ ফলত বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে।

০০০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে অহা বছৰৰ ফেব্ৰুৱাৰী-মাৰ্চ মাহত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰিছে। এই অনুসৰি অহা ১ নৱেম্বৰৰ পৰা অনলাইন প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৩০ নৱেম্বৰ প্ৰ-পত্ৰ পূৰণৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। এই সন্দৰ্ভত শিক্ষা সংসদৰ পৰীক্ষা নিয়ন্ত্ৰকে কালি এখন অধিসূচনা জাৰি কৰে। এই অধিসূচনাত নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ শিক্ষানুষ্ঠানৰ মুৰব্বীক নিৰ্দেশ দিয়া হৈছে। ইপিনে, পিতৃ-মাতৃৰ বাৰ্ষিক আয় ২ লাখ বা তাতকৈ কম হ'লে এনে পৰিয়ালৰ পৰিক্ষাৰ্থীয়ে কেন্দ্ৰ মাচুল নইবা পৰীক্ষা মাচুল ৰেহাই পাব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে।

০০০০০০০

অসম লোকসেৱা আয়োগে পৰীক্ষা সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ ঘোষণা আগবঢ়াইছে। কালি এই সন্দৰ্ভত জাৰী কৰা এটা বিবৃতিত আয়োগে উল্লেখ কৰিছে যে, চলিত বৰ্ষৰ অক্টোবৰৰ শেষৰ ফালে ২০২২ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফল ঘোষণাৰ সম্ভাৱনা আছে। মৌখিক সাক্ষাৎকাৰ প্ৰক্ৰিয়া অহা নৱেম্বৰ মাহৰ প্ৰথম ভাগত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে ২০২৪ চনৰ মাৰ্চ মাহৰ শেষৰফালে পৰৱৰ্তী সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত কৰা হ'ব বুলি আয়োগে উল্লেখ কৰিছে। উল্লেখযোগ্য যে, অসম লোকসেৱা আয়োগে বিগত ৮ আৰু ১০ জুলাইত ৰাজ্যৰ নিৰ্দিষ্ট মণ্ডলসমূহত মূল পৰীক্ষা অনুষ্ঠিত কৰিছিল। এইবাৰৰ পৰীক্ষা ৯১৩টা পদৰ বাবে অনুষ্ঠিত হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনল'ড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Of Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।

০০০০০০০

**সমাপ্ত**